# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ভাৰতীয় নৌসেনাই থলুৱা প্ৰযুক্তিৰ উন্নতি অব্যাহত ৰখাৰ লগতে বিকশিত ভাৰত নিৰ্মাণৰ লক্ষ্যত অৰিহণা আগবঢ়াই যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে।

২। লোকসভাত কালি কেন্দ্ৰীয় আবকাৰী শুল্ক সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়।

৩। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীলৈ আহিব।

৪। ছত্তিশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ১২ জন মাওবাদী নিহত হয়।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলি থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৪ উইকেটত পৰাজিত কৰে।

ooooo

ভাৰতীয় নৌসেনাই থলুৱা প্ৰযুক্তিৰ উন্নতি অব্যাহত ৰখাৰ লগতে বিকশিত ভাৰত নিৰ্মাণৰ লক্ষ্যত অৰিহণা আগবঢ়াই যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে। নৌসেনা দিৱসৰ প্ৰাকক্ষণত তিৰুৱনন্তপুৰমত নৌসেনাৰ সঞ্চালন প্ৰদৰ্শনৰ অনুষ্ঠানত নিজৰ ভাষণত তেওঁ লগতে আলোকপাত কৰে যে, নৌসেনাই এতিয়া স্বদেশতে জটিল আৰ্হিৰ নিৰ্মাণ সম্পন্ন কৰিবলৈ সমৰ্থহৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে 'সাগৰ দৃষ্টিভংগী'ৰ অধীনত গ্ৰহণ কৰা নতুন পদক্ষেপে সামুদ্ৰিক ক্ষেত্ৰত সজাগতা বৃদ্ধি, মানৱীয় সাহায্যৰ সামৰ্থ্য বৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সম্প্ৰদায়ৰ বাবে নিৰাপত্তা সুনিশ্চিত কৰিব।

ভাৰতে Blue Economyৰ সম্ভাৱনাক ব্যৱহাৰৰ ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ দিছে আৰু এই প্ৰচেষ্টাত নৌসেনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে নৌসেনাৰ দায়িত্ব পৰম্পৰাগত প্ৰতিৰক্ষাৰ উৰ্ধলৈ বিস্তৃত বুলিও মন্তব্য কৰে।

কালিৰ সামৰিক কলা প্ৰদৰ্শন কাৰ্যসূচীত নৌসেনাৰ শক্তি আৰু যুদ্ধৰ বাবে প্ৰস্তুতি প্ৰদৰ্শন কৰা হয়, য'ত যুদ্ধ বিমান আৰু চোৰাংচোৱা হেলিকপ্টাৰকে ধৰি ১৯খন ডাঙৰ যুদ্ধজাহাজ আৰু ৩২খন বিমানে সামৰ্থ প্ৰদৰ্শন কৰে।

০০০০০

লোকসভাত কালি কেন্দ্ৰীয় আবকাৰী শুল্ক সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়। চিগাৰেট, ছিগাৰ, হুক্কা, জৰ্দা আদিকে ধৰি ধঁপাত জাতীয় সামগ্ৰীৰ ওপৰত আবকাৰী শুল্ক আৰু কৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে ১৯৪৪ৰ কেন্দ্ৰীয় আবকাৰী আইনৰ সংশোধনৰ প্ৰস্তাৱ দিয়া হৈছিল। বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে, এইখন কোনো নতুন আইন নহয় আৰু অতিৰিক্ত কৰো নহয়। তেওঁ কয়, যে এয়া হৈছে জি এছ টিৰ পূৰ্বে বাহাল থকা আবকাৰী শুল্কহে। তেওঁ কয়, যে জি এছ টি কাৰ্যকৰী হোৱাৰ পিছতো ২০১৭ চনৰ জুলাইৰ পৰা ২০২৪ চন পৰ্যন্ত ক্ষতিপূৰণ কৰৰ হাৰৰ কোনো পৰিৰৱৰ্তন হোৱা নাই। কালিৰ এই বিতৰ্কত বিজেপিৰ ডং ডি পুৰন্দেশ্বৰী, কংগ্ৰেছৰ কাৰ্তি পি. চিদাম্বৰম আৰু এন চি পিৰ সুপ্ৰিয়া সুলেয়ো অংশগ্ৰহণ কৰে। কালি এই আলোচনাৰ পাছত লোকসভাৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীলৈ আহিব। ৰাষ্ট্ৰপতি পুটিনে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। এই সাক্ষাতৰ সময়ত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ সময়ত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা সংস্কৃতি আদিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব। ইয়াৰ পূৰ্বে ভাৰত আৰু ৰাছিয়াত সলনাসলনিকৈ ২২ খন এনেধৰণৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছিল। ২০০০ চনৰ অক্টোবৰত ভাৰত-ৰাছিয়া কৌশলগত অংশীদাৰিত্ব বিষয়ক ঘোষণা পত্ৰ স্বাক্ষৰিত হোৱাৰ পিছৰে পৰা প্ৰায় সকলোবোৰ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সম্পৰ্কই বিশেষভাৱে গতি লাভ কৰিছে।

০০০০০

ছত্তিশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ১২ জন মাওবাদী নিহত হয়। অভিযানৰ সময়ত সুৰক্ষা বাহিনীৰো ৩জন জোৱান নিহত হোৱাৰ লগতে দুজন গুৰুতৰভাৱে আহত হয়। বিজাপুৰৰ আৰক্ষী অধীক্ষক জিতেন্দ্ৰ যাদৱে জনোৱা মতে গোপন সূত্ৰৰ ভিত্তিত বিজাপুৰ-দান্তেৱাড়া সীমান্তত মাওবাদীৰ অৱস্থিতিৰ তথ্য লাভ কৰাৰ পাছতে জিলা সংৰক্ষিত বাহিনী, বিশেষ কাৰ্যবাহিনী, কোব্ৰা ইউনিট আৰু জিলা দুখনৰ পৰা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ দলে অঞ্চলটোত যুটীয়াভাৱে অভিযান চলায়। ঘটনাস্থলীৰ পৰা এতিয়ালৈকে ১২ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে সুৰক্ষা বাহিনীৰ সূত্ৰসমূহে প্ৰকাশ কৰিছে। অঞ্চলটোৰ পৰা সুৰক্ষা বাহিনীয়ে বন্দুক আৰু অন্যান্য বিস্ফোৰক সামগ্ৰীও জব্দ কৰিবলৈ সমৰ্থ হয়। অঞ্চলটোত এতিয়াও অভিযান অব্যাহত আছে আৰু অভিযানৰ বাবে সুৰক্ষা বাহিনীৰ অতিৰিক্ত দল ঘটনাস্থলীলৈ ৰাওনা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাকৃতিক কৃষি পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ইয়াৰ জৰিয়তে কৃষিৰ বিবিধতা বৃদ্ধি পায়, য'ত গছ-গছনি আৰু পশুধনে সহাৱস্থানৰ জৰিয়তে প্ৰাকৃতিক জৈৱ-বৈচিত্ৰ্যক শক্তিশালী কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমত এটা প্ৰবন্ধ শ্বেয়াৰ কৰি দেশৰ

জনসাধাৰণক প্ৰাকৃতিক কৃষি পদ্ধতি গ্ৰহণ আৰু ইয়াৰ প্ৰসাৰৰ বাবে আহ্বান জনায়। তেওঁ কয় যে ভাৰতৰ পাৰম্পৰিক ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা এই প্ৰাকৃতিক কৃষিপদ্ধতিত কৃষিজাত আৱৰ্জনাসমূহ পুনৰব্যৱহাৰযোগ্য কৰি খেতিৰ বাবে কৃষিভূমিক উপযোগী কৰি তোলা হয়। শ্ৰীমোদীয়ে কিছুদিন পূৰ্বে কইম্বাতুৰত প্ৰাকৃতিক কৃষি সন্দৰ্ভত এখন সন্মিলনত অংশগ্ৰহণ কৰাৰ কথা উল্লেখ কৰি কয় যে এই সন্মিলনে তেওঁৰ মনত গভীৰ প্ৰভাৱ পেলায়। ভাৰতে কৃষিখণ্ডত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত বছৰত চৰকাৰে মুকলি কৰা প্ৰাকৃতিক কৃষি পদ্ধতিৰ ৰাষ্ট্ৰীয় অভিযানে ইতিমধ্যে লাখ লাখ কৃষকক সংযোজিত কৰিছে। সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিক উৎসাহিত কৰা, কিষাণ ক্ৰেডিট কাৰ্ডৰ সুবিধা প্ৰদান আৰু পিএম কিষাণ আঁচনিৰ দৰে প্ৰচেষ্টাসমূহে কৃষকসকলক প্ৰাকৃতিক কৃষি পদ্ধতি অৱলম্বন কৰাৰ ক্ষেত্ৰত উপকৃত কৰিছে প্ৰধানমন্ত্ৰীয়ে লগতে মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে.পি নাড্ডাই যক্ষ্মা নিৰ্মূলৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ প্ৰশংসা কৰিছে। ২০১৫ৰ পৰা ২০২৪ চনৰ ভিতৰত দেশত যক্ষ্মাৰ প্ৰাদুৰ্ভাৱ ২১ শতাংশ হ্ৰাস পাইছে আৰু সেয়া বিশ্বৰ হাৰৰ প্ৰায় দুগুণ বুলি তেওঁ উল্লেখ কৰে।

নতুন দিল্লীত যক্ষ্মামুক্ত ভাৰতৰ বিষয়কলৈ মহাৰাষ্ট্ৰৰ সাংসদসকলৰ সৈতে কালি হোৱা এখন বৈঠকত শ্ৰীনাড্ডাই এই অভিযানত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা বাবে মহাৰাষ্ট্ৰৰ প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে যে, ৯০ শতাংশ চিকিৎসাৰ সফলতাৰ হাৰেৰে ভাৰতে বিশ্ব গড় ৮৮ শতাংশ অতিক্ৰম কৰি সুস্থ ভৱিষ্যতৰ দিশত অগ্ৰগতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ লৈছে। চৰকাৰৰ পোনপটীয়া সুবিধা হস্তান্তৰ ব্যৱস্থাই ৰোগীসকলক তেওঁলোকৰ দৈনন্দিন পুষ্টি আৰু অন্যান্য অত্যাৱশ্যকীয় প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাত সহায় কৰিছে বুলিও শ্ৰীনাড্ডাই উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, যক্ষ্মা নিৰ্মূলৰ ক্ষেত্ৰত ভাৰতৰ এই সফলতাৰ মূল অৰিহণা - এই অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অহা দেশৰ জনতাৰ।

কালিৰ কাৰ্যসূচীত মহাৰাষ্ট্ৰৰ সাংসদসকলে নিজ নিজ সমষ্টিত সজাগতা অভিযান আৰু নি-ক্ষয় শিৱিৰৰ আয়োজন কৰি আগতীয়াকৈ যক্ষ্মা ৰোগ নিৰ্ণয় আৰু নিৰ্মূল কৰাটো সুনিশ্চিত কৰাৰ সংকল্প গ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে মোবাইল ফোন নিৰ্মাতাসকলৰ বাবে **সঞ্চাৰ সাথী** এপ্‌টো নিৰ্মাণৰ সময়তে মোবাইল ফোনত থকাটো বাধ্যতামূলক নকৰাৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ে কালি নতুন দিল্লীত এই বিষয়ে এটা স্পষ্টীকৰণ প্ৰকাশ কৰি কয় যে নাগৰিকসকলে যেতিয়াই বিচাৰে তেতিয়াই এই এপ্‌টো তেওঁলোকৰ ফোনৰ পৰা আন-ইনষ্টল কৰিব পাৰে। মন্ত্ৰালয়ে লগতে ইয়াকো স্পষ্ট কৰি দিয়ে যে ব্যৱহাৰকাৰীৰ সুৰক্ষাৰ বাহিৰে এই এপ্‌টোৰ আন কোনো ব্যৱহাৰ নাই। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈকে দেশৰ ১ কোটি ৪০ লাখ মোবাইল ফোন ব্যৱহাৰকাৰীয়ে এই এপ্‌টো ডাউনল'ড কৰিছে। এই ব্যৱহাৰকাৰীসকলৰ মাজত প্ৰতি দিনে প্ৰায় দুহেজাৰ বিত্তীয় প্ৰৱঞ্চনাৰ ঘটনা ধৰা পৰাৰ বাতৰি আহিছে।

মন্ত্ৰালয়ে স্পষ্ট কৰি দিয়ে যে সঞ্চাৰ সাথী এপ্ সম্পূৰ্ণ সুৰক্ষিত আৰু ই কেৱল চাইবাৰ জগতৰ অশুভ শক্তি আৰু প্ৰৱঞ্চকৰ পৰা সৰ্বসাধাৰণ ৰাইজক সুৰক্ষা দিয়াৰ বাবেহে প্ৰৱৰ্তন কৰা হৈছে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৪ উইকেটত পৰাজিত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩৫৮ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ঋতুৰাজ গাইকোৱাডে সৰ্বাধিক ১০৫ আৰু বিৰাট কোহলীয়ে ১০২ ৰাণ কৰে। অধিনায়ক কে এল ৰাহুল ৬৬ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জেনছেনে দুটা উইকেট লাভ কৰাৰ লগতে নান্দ্ৰে বাৰ্গাৰ আৰু লুংগী এনগিডিয়ে এটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৪টা বল বাকী থকা অৱস্থাত ৬টা উইকেটৰ বিনিময়ত ৩৬২ ৰান সংগ্ৰহ কৰি জয় নিশ্চিত কৰে। দলৰ হৈ এইডেন মাৰ্কৰামে ৯৮টা বলত সৰ্বাধিক ১১০ ৰান কৰে। ভাৰতৰ অৰ্শ্বদীপ সিং আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ আৰু হৰ্ষিত ৰাণাই এটা উইকেট লাভ কৰে। দক্ষিণ আফ্ৰিকাৰ এইডেন মাৰ্কৰামক প্লেয়াৰ অব দ্যা মেছ্ ঘোষণা কৰা হয়। কালিৰ এই জয়েৰে দক্ষিণ আফ্ৰিকাই তিনিখনীয়া এদিনীয়া শৃংখলাত ১-১ত সমতা স্থাপন কৰিছে। শৃংখলাৰ তৃতীয়খন খেল পৰহিলৈ অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**